# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-04-2025
**Time :** 1715 HRS

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - -**

অহা ২ আৰু ৭ মে’ত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। একেদৰে নিৰ্বাচন সুকলমে পৰিচালনা কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। কামৰূপ জিলাত অহা ৭ মে’ত হ’বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে জিলাখনৰ প্ৰিজাইডিং আৰু প’লিং বিষয়াসকলক দুদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। দক্ষিণ কামৰূপ মহাবিদ্যালয়ত এই প্ৰশিক্ষণ সম্পন্ন কৰা হৈছে। কামৰূপ জিলাৰ পলাশবাৰী, বকো-ছয়গাঁও, ছমৰীয়া, হাজো-শুৱালকুছি আৰু কমলপুৰ বিধানসভা সমষ্টিত জিলা আয়ুক্তই আৰু ৰঙিয়া বিধানসভা সমষ্টিৰ নিৰ্বাচন ৰঙিয়া সমজিলাৰ আয়ুক্তই পৰিচালনা কৰিব। জিলাখনত শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ষ্ট্ৰং ৰুম, ভোটগণনা কক্ষ, তিনিটা স্থানত ক্ৰমে- দক্ষিণ কামৰূপ মহাবিদ্যালয়, আমিনগাঁও জিলা আয়ুক্তৰ কাৰ্যালয় আৰু ৰঙিয়াত সুকীয়াকৈ স্থাপন কৰা হ’ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকলৰ সৈতে জিলা আয়ুক্তৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। নিৰ্বাচনী আচৰণ বিধি আৰু অন্যান্য বিষয় সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। বৈঠকখনত নিৰ্বাচনী পৰ্যবেক্ষকৰ লগতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া উপস্থিত থাকে। পঞ্চায়ত নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীসকলে কি কি কৰিব পাৰিব আৰু কি কি কৰিব নোৱাৰিব সেই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে প্ৰাৰ্থীসকলক বুজাই দিয়ে। সামাজিক বাতাৱৰণ বিনষ্ট কৰিব পৰা কোনোধৰণৰ বক্তব্য প্ৰদান নকৰিবলৈ তেওঁ প্ৰাৰ্থীসকলক আহ্বান জনায়।

০০০০০

অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি কাছাৰ জিলাৰ ধলাইত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ধলাইত অনুষ্ঠিত বিজয় সংকল্প সমাৱেশত ভাষণ প্ৰদান কৰি শ্ৰীশইকীয়াই কয়, যে বৰাক আৰু ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়ন কৰাই বিজেপিৰ প্ৰধান লক্ষ্য। পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে জয়লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্যিক সভাপতিৰ দায়িত্ব লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে বৰাকত উপস্থিত হোৱা শ্ৰীশইকীয়াক জিলা বিজেপিৰ জ্যেষ্ঠ নেতা আৰু সমৰ্থসকলে আদৰণি জনায়।

০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি শেষৰ দিনাটো চেৰা বা এৰা বিহু হিচাপে পালন কৰা হৈছে। পৰম্পৰা অনুসৰি চেৰা বিহুৰ দিনা দৈ আৰু পঁইতা ভাত খোৱা হয় আৰু বিচনীৰে জুৰ লোৱা হয়। এনেদৰে বিচনীৰে জুৰ ল’লে বছৰটোলৈ দেহা শাঁত পৰি থাকে বুলি বিশ্বাস কৰা হয়। চেৰা বিহুৰ সৈতে বিভিন্ন ৰীতি-নীতি

প্ৰচলিত আছে। ৰাজ্যৰ ঠায়ে ঠায়ে আজি বিহু উৰুওৱা বা বিহু ভঙা উৎসৱ পালন কৰা হয়। উজনি অসমৰ কোনো কোনো স্থানত আজি পৰম্পৰা অনুসৰি ৰাইজে বৰগছৰ গুৰিত হাঁচতি আগবঢ়াই বিহু উৰুওৱাৰ প্ৰথা আছে। মাজুলীৰ কমলাবাৰী সত্ৰত আজি চেৰা বিহু উপলক্ষে পুৱাতে প্ৰসংগ শেষ হোৱাৰ পাছত গায়ন-বায়নৰ সমষ্ট প্ৰসংগ বন্ধ ৰখা হয়। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত মানুহ বিহুৰ দিনা লোৱা বিহুৱানবোৰ ধুই আজি বিহুক বিদায় দিয়া হয়।

ইপিনে নামনি অসমৰ বিভিন্ন প্ৰান্তত আজি সাতবিহু বা চেৰা বিহু উপলক্ষে সাতশাকিৰ পৰম্পৰা ৰক্ষা কৰা হয়। বিহুৰ সপ্তম দিন উপলক্ষে আজি সাতবিধ শাকৰ ভাজি খোৱা হয়। কোনো কোনো ঠাইত সাত শাক তুলিবলৈ যাওতে সাতশাকি গীত গোৱাৰো পৰম্পৰা আছে।

00000

কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ পুঠিমাৰীত এন ডি আৰ এফ বিৰ কাৰিকৰী কৌশল প্ৰদৰ্শনৰ অনুষ্ঠান আয়োজিত হৈছে। এই অনুষ্ঠানত প্ৰাকৃতিক দুৰ্যোগৰ সময়ত দুৰ্গতসকলক সহায় কৰিব পৰাকৈ জোৱানসকলক প্ৰস্তুত কৰাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এন ডি আৰ এফ বিৰ জোৱানসকলক প্ৰস্তুত কৰি ৰখাৰ বাবে প্ৰতি বছৰে প্ৰশিক্ষণ প্ৰদান কৰা হৈ আহিছে বুলি এন ডি আৰ এফ বিৰ বাহিনীৰ বিষয়াই প্ৰকাশ কৰিছে। কাৰিকৰী কৌশল প্ৰদৰ্শনত গুৱাহাটী মুখ্য কাৰ্যালয়ৰ ৪টা বেটেলিয়ান কোম্পানীয়ে অংশগ্ৰহণ কৰে।

00000

ৰাজ্যত যোৱা ১৪ এপ্ৰিলৰ পৰা পালন কৰা অগ্নি নিৰ্বাপক সেৱা সপ্তাহৰ আজি সামৰণি পৰে। এই সময়ছোৱাত ৰাজ্যৰ অগ্নি আৰু আপদকালীন সেৱা সঞ্চালকালয়ে অগ্নিকাণ্ডৰ পৰা হাত সাৰি থাকিবৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ লগতে ৰাইজক জুই লগা ঘটনাৰ পৰা হাত সাৰিবলৈ বিভিন্ন বিভিন্ন পৰামৰ্শ জাৰি কৰিছে। তদুপৰি ঘৰৰ পৰা ওলাই যোৱাৰ আগতে সকলো বৈদ্যুতিক সা-সঁজুলি আৰু ৰন্ধন গেছৰ ৰেগুলেটৰ বন্ধ কৰি যাবলৈও কোৱা হৈছে। ৰন্ধন গেছৰ চিলিণ্ডাৰত জুই লাগিলে আতংকিত নহয় ন'বটো বন্ধ কৰিবলৈ আৰু জ্বলি থকা চিলিণ্ডাৰ তিতা কাপোৰেৰে ঢাকিবলৈ পৰামৰ্শ দিয়া হৈছে।

00000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

00000

সমাপ্ত